# জাননী

**অসমৰ অনুসূচিত জাতি** (SC), **অনুসূচিত জনজাতি** (ST) **আৰু অন্যান্য পিছপৰা শ্ৰেণী** (OBC) **ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পুঁজিৰে ৯০:১০ অনুপাতত যথাক্ৰমে অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়, অসম আৰু জনজাতি পৰিক্ৰমা সঞ্চালকালয় (ভৈয়াম) অসমে নিম্ন উল্লেখিত জলপানি** (Scholarship) আঁচনিসমূহৰ **জৰিয়তে প্ৰতি বছৰে ছাত্ৰ বৃত্তিৰ ধন প্ৰদান কৰি আহিছে।**

- **জলপানি** (Scholarship) **আঁচনিসমূহ তলত উল্লেখ কৰা হ'ল ঃ**
  - (ক) নৱম আৰু দশম শ্ৰেণীৰ অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাক্-প্ৰৱেশিকা জলপানি (Pre-Metric Scholarship) আঁচনি (Component-I)।
  - (খ) নৱম আৰু দশম শ্ৰেণীত অধ্যয়ন কৰি থকা অনুসূচিত জনজাতি ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাক্-প্ৰৱেশিকা জলপানি (Pre-Metric Scholarship) আঁচনি।
  - (গ) নৱম আৰু দশম শ্ৰেণীৰ অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাক্-প্ৰৱেশিকা জলপানি (Pre-Metric Scholarship) আঁচনি।
  - (ঘ) অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰৱেশিকোত্তৰ জলপানি (Post-Metric Scholarship) আঁচনি।
  - (ঙ) অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰৱেশিকোত্তৰ জলপানি (Post-Metric Scholarship) আঁচনি।
  - (চ) অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰৱেশিকোত্তৰ জলপানি (Post-Metric Scholarship) আঁচনি।
- **জলপানি** (Scholarship) আঁচনিসমূহৰ **উদ্দেশ্য ঃ**
  - (ক) উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্ভুক্তি বৃদ্ধি কৰা।
  - (খ) আৰ্থ সামাজিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা গ্ৰহণ সম্পূৰ্ণ কৰাটো সহজসাধ্য কৰি তোলা।
- **জলপানিৰ বাবে আবেদন কৰা ছাত্ৰী-ছাত্ৰীৰ যোগ্যতাৰ মাপ-কাঠি ঃ**
  - (ক) আবেদনকাৰী ছাত্ৰ-ছাত্ৰী চৰকাৰী কিম্বা শিক্ষা বিভাগৰ অনুমতিপ্ৰাপ্ত বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানৰ নিয়মীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হ'ব লাগিব।
  - (খ) আবেদনকাৰী ছাত্ৰ-ছাত্ৰীৰ পৰিয়ালৰ বাৰ্ষিক আয় সকলো উৎসৰ পৰা ২.৫ লাখ টকাৰ অধিক হ'ব নোৱাৰিব।
- NSP**ত অনলাইন আবেদন কৰাৰ বাবে আৱশ্যকীয় নথিসমূহ ঃ**
  - (ক) আবেদনকাৰী ছাত্ৰ-ছাত্ৰীৰ জাতিগত প্ৰমাণ-পত্ৰ (Caste certificate)।

*ক্ৰমশ....২*

(খ) চক্ৰ বিষয়াই প্ৰদান কৰা বাৰ্ষিক আয়ৰ বৈধ প্ৰমাণ-পত্ৰ (Valid Income Certificate)। (গাঁওবুঢ়া, পঞ্চায়ত প্ৰতিনিধি, ৱাৰ্ড কমিচনাৰ বা শিক্ষানুষ্ঠানৰ মুৰব্বীয়ে প্ৰদান কৰা বাৰ্ষিক আয়ৰ প্ৰমাণ-পত্ৰ গ্ৰহণযোগ্য নহয়)।

(গ) শিক্ষানুষ্ঠানে প্ৰদান কৰা ছাত্ৰ-ছাত্ৰীৰ বাস্তৱিক প্ৰমাণ-পত্ৰ (Bonafide certificate)।

(ঘ) ছাত্ৰ-ছাত্ৰীৰ আধাৰ (Aadhar) আৰু পান (Pan) নম্বৰ।

(ঙ) ছাত্ৰ-ছাত্ৰীৰ আধাৰ চিদেদ্ বেংক একাউণ্ট (Aadhar Seeded Bank Account)।

- নেশ্যনেল স্ক'লাৰশ্বিপ প'ৰ্টেল (NSP)ৰ যোগেদি জলপানিৰ বাবে অন্‌লাইন আবেদন দাখিল কৰাৰ সময় ঃ

(ক) সাধাৰণতে জুলাই মাহৰ অন্তিম সপ্তাহত নেশ্যনেল স্ক'লাৰশ্বিপ প'ৰ্টেল (NSP)ৰ যোগেদি সময় নিৰ্ধাৰিত অন্‌লাইন আবেদন গ্ৰহণৰ বাবে বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমত বিজ্ঞাপন প্ৰচাৰ কৰা হয়।

(খ) অন্‌লাইন আবেদন গ্ৰহণৰ বাবে নেশ্যনেল স্ক'লাৰশ্বিপ প'ৰ্টেল (NSP) মুকলিৰ সম্ভাব্য তাৰিখ আগষ্ট মাহৰ এক তাৰিখ।

- জলপানি আঁচনিসমূহৰ সফল ৰূপায়নত শিক্ষানুষ্ঠানৰ মুৰব্বী তথা NSPৰ ন'ডেল বিষয়াসকলৰ ভূমিকাঃ

(ক) শিক্ষাবৰ্ষৰ আৰম্ভণিতে নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ জাতিগত প্ৰমাণ-পত্ৰ, পৰিয়ালৰ বাৰ্ষিক আয়ৰ প্ৰমাণ-পত্ৰ আৰু তেওঁলোকৰ আধাৰ চিদেদ্ বেংক একাউণ্ট (Aadhar Seeded Bank Account)ৰ উপলব্ধতা নিশ্চিত কৰা।

(খ) অতি দুখীয়া পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলক জলপানি আঁচনিৰ আওতালৈ অনাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা আৰু সজাগতা বৃদ্ধি কৰা।

(গ) ছাত্ৰ-ছাত্ৰীসকলে NSPৰ যোগেদি অন্‌লাইন আবেদন দাখিল কৰাৰ লগে লগে শিক্ষানুষ্ঠানৰ ন'ডেল বিষয়াসকলে NSPত তাৎক্ষণিকভাৱে অন্‌লাইন আবেদনৰ লগত সংলগ্ন নথিসমূহৰ সত্যাসত্য নিৰূপণ (Verification) কৰা।

(ঘ) পৰিয়ালৰ বাৰ্ষিক আয় ২.৫ লাখ টকাৰ আওতাৰ ভিতৰত থকা প্ৰতিগৰাকী অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে NSPৰ যোগেদি জলপানিৰ বাবে অন্‌লাইন আবেদন কৰাটো নিশ্চিত কৰা।

**বিঃ দ্ৰঃ**

সজাগতাৰ বাবে অনুসূচিত জাতি আৰু
পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়, অসম আৰু
জনজাতি পৰিক্ৰমা (ভৈয়াম) সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।